M.L.C. LIBRARY
G.L. CHOUDHURY COLLEGE

**2024**

# ASSAMESE

( Honours Core )

Paper : ASM–HC–6016

( অসমীয়া চুটিগল্প আৰু উপন্যাস )

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমুকৈ উত্তৰ দিয়া : ১×১০=১০

(ক) কোনখন আলোচনীত প্ৰকাশৰ যোগেদি অসমীয়া চুটিগল্পৰ শুভাৰম্ভ হৈছিল?

(খ) শৰৎচন্দ্ৰ গোস্বামী ৰচিত যি কোনো এটা চুটিগল্পৰ নাম লিখা।

(গ) নগেন্দ্ৰ নাৰায়ণ চৌধুৰী কোনটো যুগৰ চুটিগল্পকাৰ?

(ঘ) 'ভানুমতী' উপন্যাসখন প্ৰথমতে কোনখন আলোচনীত প্ৰকাশ হৈছিল?

(ঙ) নীলকণ্ঠ বৰুৱাই ৰচনা কৰা উপন্যাসখনৰ নাম কি?





(চ) ৰজনীকান্ত বৰদলৈ ৰচিত একমাত্ৰ সামাজিক উপন্যাসখনৰ নাম লিখা।

(ছ) 'ব্যৰ্থতাৰ দান' শীৰ্ষক গল্পপুথিখনৰ ৰচক কোন?

(জ) যোগেশ দাসে কোনখন গল্পপুথিৰ বাবে সাহিত্য অকাডেমি বঁটা লাভ কৰিছিল?

(ঝ) 'দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা' উপন্যাসখনৰ কাহিনীৰ আৰম্ভণি কোন খ্ৰীষ্টাব্দৰ পৰা হৈছে?

(ঞ) কোনখন উপন্যাসৰ কাহিনীৰ পৃষ্ঠভূমি দক্ষিণ কামৰূপৰ আমৰঙা সত্ৰক কেন্দ্ৰ কৰি গঢ় লৈ উঠিছে?

২। চমুকৈ উত্তৰ দিয়া : ২×৫=১০

(ক) লক্ষ্মীনাথ বেজবৰুৱাৰ প্ৰথম প্ৰকাশিত গল্পপুথিখনৰ নাম কি আৰু পুথিখন কোন চনত প্ৰকাশ হৈছিল?

(খ) ৰামধেনু যুগৰ দুগৰাকী গল্পকাৰৰ নাম লিখা।

(গ) অসমীয়া ভাষাৰ দুখন জীৱনীমূলক উপন্যাসৰ নাম লিখা।

(ঘ) "তই সাৱধানে থাকিবি। মই আহিলোঁ।" 'ৰাজনীতি নুবুজা মানুহ' গল্পটোত এইষাৰ কথা কোনে, কাক কৈছে?

(ঙ) 'দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা' উপন্যাসখনৰ ইংৰাজী অনুবাদৰ নাম কি? উপন্যাসখন কোনে ইংৰাজীলৈ অনুবাদ কৰিছে?





৩। তলৰ যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ দিয়া : ৫×৪=২০

(ক) অসমীয়া চুটিগল্পত ফ্ৰয়েডীয় মনস্তত্বৰ প্ৰভাৱ সম্পৰ্কে চমুকৈ আলোচনা কৰা।

(খ) অসমীয়া ঐতিহাসিক উপন্যাস সম্পৰ্কে এটি চমু টোকা লিখা।

(গ) যোগেশ দাসৰ 'ৰবদেউতা' গল্পৰ ৰমেশ চৰিত্ৰটোৰ মাজেৰে সমাজৰ কেনেধৰণৰ মানুহৰ বৈশিষ্ট্য প্ৰকাশ পাইছে, বৰ্ণনা কৰা।

(ঘ) লক্ষ্মীধৰ শৰ্মাৰ গল্পৰ বিশেষত্ব আলোচনা কৰা।

(ঙ) 'দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা' উপন্যাসৰ ইন্দ্ৰনাথৰ চৰিত্ৰটো বিশ্লেষণ কৰা।

(চ) ইন্দ্ৰনাথে দেৱদত্তৰ হাতখন থাপ মাৰি ধৰি ক'লে, "সেই মখা কথা আৰু নুসুধিবি। তুমি পিছে এই সময়ত কহই যাবা অল্লি"?

"শুনা নাই? শুনা নাই ইন্দ্ৰনাথ? চৰকাৰে এইবাৰ দেখছোঁ গহঁইহঁতক কাঙাল কৰিহে এৰিব। চিলিং আহিছি, চিলিং আহিছি।" দেৱদত্ত কোন? তেওঁ ইন্দ্ৰনাথক কি চিলিং অহাৰ কথা কৈছে বুজাই লিখা।

৪। তলৰ যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ দিয়া : ১০×৪=৪০

(ক) "জোনাকী যুগত কবিতাৰ যি জোৱাৰ উঠিছিল আৱাহন যুগত সেই জোৱাৰ উঠে গল্পৰ ক্ষেত্ৰত।" এই উক্তিৰ আধাৰত আৱাহন যুগৰ অসমীয়া চুটিগল্পৰ বিষয়ে আলোচনা কৰা।





(খ) স্বাধীনোত্তৰ কালৰ অসমীয়া চুটিগল্পৰ স্বৰূপ চমুকৈ বৰ্ণনা কৰা।

(গ) অসমীয়া উপন্যাসৰ ধাৰা সম্পৰ্কে সম্যক ধাৰণা দি এটি নিবন্ধ যুগুত কৰা।

(ঘ) অসমীয়া উপন্যাসৰ প্ৰস্তুতি পৰ্বৰ বিষয়ে বহলাই আলোচনা কৰা।

(ঙ) 'দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা' উপন্যাসৰ গিৰিবালা চৰিত্ৰটোৰ মাধ্যমেৰে বৈধব্য জীৱনৰ দুখ-যন্ত্ৰণা কেনেদৰে প্ৰকাশ পাইছে, বহলাই লিখা।

(চ) উপভাষাৰ প্ৰয়োগে 'দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা' উপন্যাসখনক কেনেদৰে স্বকীয়তা প্ৰদান কৰিছে, বিশ্লেষণ কৰা।

(ছ) গল্পকাৰ হিচাপে পূৰবী বৰমুদৈৰ চমু পৰিচয় দাঙি ধৰি 'ৰাজনীতি নুবুজা মানুহ' গল্পটোৰ এটি সমালোচনা আগবঢ়োৱা।

(জ) "স্তব্ধ জোনাক ৰাতি সুবিধা পালেই নীনাই অশৰীৰী হৈ মোৰ ওচৰলৈ অভিসাৰৰ অৰ্থে কিছু দিনলৈ আহিছিল। তাৰপিছত আৰৰ্জনাৰ স্তূপৰ তলত নীনাৰ স্মৃতিয়ে সমাধি লাভ কৰিলে।" নীনা কোন? তাই অশৰীৰী হৈ অভিসাৰৰ অৰ্থে কাৰ ওচৰলৈ আহিছিল? পাছত নীনাৰ স্মৃতিয়ে কিয় সমাধি লাভ কৰিলে, বিতংকৈ লিখা।

★★★